**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-05-2026 **Time :** 0900 Hrs.

## HEADLINES

১। অসম চৰকাৰৰ ২৬ মে’ত বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপনৰ সিদ্ধান্ত।

২। প্ৰধানমন্ত্ৰীৰ বিদেশী মুদ্ৰা সঞ্চয়ৰ আহ্বানমৰ্মে ৰাজ্য চৰকাৰৰ ব্যয় সংকোচনৰ ব্যৱস্থা।

৩। কেন্দ্ৰীয় চৰকাৰৰ চলিত বিত্তীয় বৰ্ষত দলং নিৰ্মাণৰ বাবে অসমসহ উত্তৰ-পূৰ্বাঞ্চললৈ ৫৬৯ কোটি ৬৪ লাখ টকাত আৱণ্টন।

৪। দেশত ৬৯ দিনৰ বাবে অপৰিশোধিত তেল আৰু ৪৫ দিনৰ বাবে ৰন্ধন গেছ মজুত আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীৰ প্ৰকাশ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ ৬ উইকেটত জয়লাভ।

০০০০০০

অসম চৰকাৰে অহা ২৬ মে’ত বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি তেওঁৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে ২১ মে’ৰ পৰা হ’বলগীয়া বিধানসভা অধিবেশনৰ অন্তিম দিনা অৰ্থাৎ ২৬ মে’ত উমৈহতীয়া দেৱানী বিধি উত্থাপন কৰা হ’ব। মন্ত্ৰীসভাই কালি উমৈহতীয়া দেৱানী বিধিৰ খচৰাত অনুমোদন জনায়। এই খচৰা অনুসৰি পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ লোকসকলক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ পৰা বাহিৰত ৰখা হ’ব বুলি তেওঁ কয়।

প্ৰস্তাৱিত বিধেয়কখনে বিবাহৰ আইনী বয়স নিৰ্ধাৰণ, বহুবিবাহত নিষেধাজ্ঞা, সম্পত্তিৰ অধিকাৰ আৰু লিভ ইন ৰিলেচনকে ধৰি কেইবাটাও বিষয় সামৰি লোৱা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ লগে লগে উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছত উমৈহতীয়া দেৱানী বিধি কাৰ্যকৰী কৰা অসম তৃতীয়খন ৰাজ্য হিচাপে পৰিগণিত হ’ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**(বাইট) (চি এম)**

তেওঁ কয়, বিধানসভাৰ এই অধিৱেশনতে নৱনিৰ্বাচিত বিধায়কসকলে শপতগ্ৰহণ কৰিব। অধিৱেশনৰ পাছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ’ব। তেওঁ লগতে এই অধিৱেশনত চন্দ্ৰমোহন পাটোৱাৰী অস্থায়ী অধ্যক্ষ হিচাপে থাকিব বুলি জানিবলৈ দিয়ে। নতুন মন্ত্ৰীসভাই শপতগ্ৰহণৰ পাছত জ্যেষ্ঠ বিধায়ক ৰণজিত কুমাৰ দাসক অধ্যক্ষৰ দায়িত্ব দিয়া হ’ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

অসম চৰকাৰে অহা ৫ বছৰৰ ভিতৰত ২ লাখ চৰকাৰী চাকৰিত নিযুক্তি প্ৰদানৰ বাবে মুখ্য সচিবৰ নেতৃত্বত কৰ্ম বাহিনী গ্ৰহণৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। এই কৰ্মবাহিনীয়ে অহা ৩ মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত কয় যে, ২ লাখ চৰকাৰী চাকৰি কেনেকৈ আৰু কি ধৰণে দিব পাৰি সেই বিষয়ে মুখ্য সচিবৰ নেতৃত্বৰ দলটোৱে প্ৰতিবেদনত উল্লেখ কৰিব। মন্ত্ৰীসভাই বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰখনকে পৰৱৰ্তী ৫ বছৰৰ বাবে নীতি নিৰ্ধাৰনৰ আধাৰ হিচাপে গ্ৰহণ কৰা প্ৰস্তাৱত অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

মন্ত্ৰীসভাৰ বৈঠকে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান অহা ৮ চেপ্তেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱত অনুমোদন জনায়। লগতে ৩২ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ভূপেন হাজৰিকা সংগ্ৰহালয় স্থাপনৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। এই সংগ্ৰহালয়ত সুধাকণ্ঠৰ জীৱনৰ সৈতে সম্পৰ্ক থকা অমূল্য সম্পদৰাজি সংৰক্ষণ কৰা হব। সংগ্ৰহালয় নিৰ্মাণৰ বাবে ২০ কোটি টকা ৰাজ্য চৰকাৰে আৰু ১৩ কোটি উত্তৰ পূৱ পৰিষদে আগবঢ়াব। ইপিনে মন্ত্ৰীসভাৰ বৈঠকে জ্যেষ্ঠ অধিবক্তা দেৱজিৎ শইকীয়াক আৰু ৫ বছৰৰ বাবে ৰাজ্যৰ মহাধিবক্তাৰ পদত নিয়োগ কৰাৰ প্ৰস্তাৱত অনুমোদন জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশী মুদ্ৰা সঞ্চয়ৰ বাবে জনোৱা আহ্বান অনুসৰি ৰাজ্য চৰকাৰে এলানি ব্যয় সংকোচনৰ ব্যৱস্থা ঘোষণা কৰিছে। এই অনুসৰি চিকিৎসাজনিত কাৰণৰ বাহিৰে অন্য কাৰণত পৰৱৰ্তী ছমাহৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বিদেশ ভ্ৰমণ নিষিদ্ধ কৰা হৈছে। চৰকাৰী আৰু ব্যক্তিগত দুয়োধৰণৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য হ'ব। মন্ত্ৰীসভাত কালি লোৱা সিদ্ধান্ত অনুসৰি ৰাজ্য চৰকাৰে অহা ছমাহলৈ কোনো যান-বাহন ক্ৰয় নকৰে। ৰাজ্যপাল-মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলো মন্ত্ৰী-বিষয়াৰ কনভয়ৰ বাহনৰ সংখ্যাও ছমাহৰ বাবে হ্ৰাস কৰা হ'ব। একেদৰে বিগত বৰ্ষৰ তুলনাত ৰাজ্য চৰকাৰে পেট্ৰ'ল-ডিজেলত হোৱা চৰকাৰী ব্যয় ২০ শতাংশ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

**বাইট (চি এম)**

ৰাজ্য চৰকাৰে পৰৱৰ্তী ছমাহৰ বাবে কোনো বিদেশী সামগ্ৰীও ক্ৰয় নকৰে। অৱশ্যে ৰাজ্যৰ জনসাধাৰণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য নহ'ব। চৰকাৰে এই সময়ছোৱাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰেহে আলোচনা চক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰিব। চৰকাৰী বিভাগ আৰু অনুষ্ঠানত ব্যৱহাৰৰ যান-বাহন ভাড়ালৈ ল'বলগীয়া হ'লে কেৱল বৈদ্যুতিক বাহনহে ভাড়াত লোৱা হ'ব। ইয়াৰ উপৰি ১৫ বছৰৰ বেছি পুৰণি পেট্ৰ'ল-ডিজেলচালিত যান-বাহন নিষিদ্ধ কৰাৰ প্ৰক্ৰিয়াও ত্বৰান্বিত কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি উন্নয়নৰ পুঁজিৰ অধীনত ৰাজ্যিক পথত অভাৰব্ৰীজ, আণ্ডাৰব্ৰীজ আৰু দলং নিৰ্মাণৰ বাবে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যলৈ কালি ৫৬৯ কোটি ৬৪ লাখ টকাত আৱণ্টন দিয়ে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে এই সন্দৰ্ভত সংশ্লিষ্ট ৰাজ্য আৰু অন্য পক্ষসমূহলৈ স্মাৰক লিপি জাৰি কৰিছে। এই স্মাৰক লিপি অনুসৰি অসমক সৰ্বাধিক ১৮৭ কোটি ৩২

লাখ টকা আৱণ্টন দিয়া হৈছে। অৰুণাচল প্ৰদেশৰ বাবে ১৬৪ কোটি ৯০ লাখ, মণিপুৰৰ বাবে ৪৬ কোটি ৬১ লাখ, মেঘালয়ৰ বাবে ৫৩ কোটি ১৯ লাখ, মিজোৰামৰ বাবে ৪৩ কোটি ৫০ লাখ, নাগালেণ্ডৰ বাবে ৩৪ কোটি ৯২ লাখ, ছিকিমৰ বাবে ১৫ কোটি ৬৯ লাখ আৰু ত্ৰিপুৰাৰ বাবে ২৩ কোটি ৫১ লাখ টকাত অনুমোদন দিয়া হৈছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে লগতে অসমলৈ ২০২৬-২৭ বৰ্ষৰ বাবে সেতুবন্ধন প্ৰকল্পৰ অধীনত ৰাজ্যিক পথসমূহত দলং নিৰ্মাণৰ বাবে ৩৩ কোটি ৯৪ লাখ টকাত আৱণ্টন দিছে।

০০০০০০০০০

দেশত ৬৯ দিনৰ বাবে অপৰিশোধিত তেল আৰু ৪৫ দিনৰ বাবে ৰন্ধন গেছ মজুত আছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। ইন্ধন সৰবৰাহত এই পৰ্য্যন্ত কোনো সমস্যা হোৱা নাই বুলি উল্লেখ কৰি জনসাধাৰণক আতংকিত নহ'বলৈ তেওঁ আহ্বান জনায়। পশ্চিম এছিয়াৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি ইন্ধনৰ নাটনিক লৈ সৃষ্টি হোৱা আশংকাৰ মাজতে শ্ৰী পুৰীয়ে কালি এই আহ্বান জনায়। তেওঁ কয় যে দেশত ৰন্ধন গেছৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইন্ধন আৰু অন্যান্য সামগ্ৰীৰ ব্যৱহাৰত সংযম ৰক্ষা কৰিবলৈ জনোৱা আহ্বানক সতৰ্কতাবাণী হিচাপে গ্ৰহণ কৰিবলৈ তেওঁ জনসাধাৰণক পৰামৰ্শ দিয়ে।

(বাইট) (হৰদীপ)

SHYAMKANU BAIL/ RNU (14-05-2026) MORN

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন অহা ১৫ মে'ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে আজি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

উচ্চ শিক্ষা বিভাগে নামভৰ্তিত মাচুল ৰেহাই আঁচনিৰ নীতি সলনি কৰিছে। বিভাগে মাচুল ৰেহাই আঁচনিত যোগ্যতা নিৰ্ণয়ৰ বাবে এতিয়াৰে পৰা কেৱল ৰেচন কাৰ্ডহে বিবেচনা কৰিব। ছাত্ৰ বাব অভিভাৱকৰ ৰেচন কাৰ্ডে মাচুল ৰেহাইৰ ক্ষেত্ৰত গ্ৰহণ কৰা হ'ব। পূৰ্বতে উচ্চ শিক্ষা গ্ৰহণৰ বাবে নামভৰ্তিত ৰেচন কাৰ্ড নথকা ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত কৰ্তৃত্বশীল পক্ষই দিয়া আয়ৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰা হৈছিল।

০০০০০০০০

নলবাৰী জিলাৰ বিভিন্ন গাঁৱত শেহতীয়াকৈ গৰু-ম'হৰ গাত লাম্পী ভাইৰাছে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এই সংক্ৰামক ভাইৰাছবিধত জিলাখনৰ সহস্ৰাধিক গৰু-ম'হ আক্ৰান্ত হৈছে। জিলাখনৰ চান্দকুছি, জাগাৰা, ধৰ্মপুৰ, বৰনৰ্দ্দী, চতেমাৰী, বৰতলা ৰাজ্যিক পশু চিকিৎসালয়ৰ অধীনৰ শতাধিক গাঁৱৰ গৰু-ম'হ এই সংক্ৰামক ভাইৰাছৰ কবলত পৰিছে। উল্লেখযোগ্য যে পোক-পতংগৰ কামোৰৰ দ্বাৰা এই ৰোগ উদ্ভৱ হয়। এই চৰ্মৰোগৰ ফলত গৰু-ম'হৰ চালত ডাঠ গোটা বা টেমুনা হয় আৰু পিছলৈ ই ফাটি ঘাঁৰ সৃষ্টি হয়।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ৰ অংশগ্ৰহণমূলক ন্যায়ৰ দৰ্শনৰ প্ৰসাৰ তথা বিচৰাধীন হৈ থকা গোচৰসমূহ পাৰস্পৰিক বুজাবুজি আৰু সন্মতিৰে নিষ্পত্তি কৰাৰ লক্ষ্যৰে উচ্চতম ন্যায়ালয়ে অহা ২১ আগষ্টৰ পৰা ২৩ আগষ্টলৈ সমাধান সমাৰোহ শীৰ্ষক বিশেষ লোক আদালতৰ আয়োজন কৰিছে। সকলো অধিবক্তা, গোচৰীয়া পক্ষ, আৰু অন্যান্য সংশ্লিষ্ট পক্ষক এই অভিযানত অংশগ্ৰহণ কৰি গোচৰসমূহৰ ফলপ্ৰসু সমাধানৰ সহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। গোচৰৰ পক্ষসমূহে আৰু তেওঁলোকৰ অধিবক্তাসকলে উচ্চতম ন্যায়ৰ দ্বাৰা সৃষ্ট সৰল  গুগল প্ৰপত্ৰ পুৰণ কৰি নিজৰ গোচৰটো সমাধান সমাৰোহ ২০২৬ত অন্তৰ্ভুক্ত কৰিব  পাৰিব। ফৰ্ম পুৰণৰ অন্তিম তাৰিখ ৩১ মে ২০২৬।

0000000

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত দ্বিতীয় সৰ্বভাৰতীয় পুলিচ গেমছত অসমৰ উপ-আৰক্ষী অধীক্ষক বাৰ্ডি বড়োৱে টেবল টেনিছত দ্বিমুকুট অৰ্জন কৰিছে। বাৰ্ডিয়ে কালি অপেন ছিংগলছ আৰু ৰাজপত্ৰিত বিষয়া শিতানৰ ছিংগছলত একেৰাহে তৃতীয়বাৰৰ বাবে স্বৰ্ণ পদক লাভ কৰে। অপেন শিতানৰ ছিংগলছত বাৰ্ডিয়ে উত্তৰ প্ৰদেশ আৰক্ষীৰ সুব্ৰত ৰাজ বাৰ্মাক ৩-১ ফলাফলত পৰাস্ত কৰে। একেদৰে ৰাজপত্ৰিত বিষয়া শিতানৰ ছিংগছলত খেলুৱৈগৰাকীয়ে এম শ্ৰী অভিনৱৰ বিৰুদ্ধে ৩-০ ফলাফলত সহজ জয় সাব্যস্ত কৰে। এই জয়ৰ সুবাদত বাৰ্ডি বড়োৱে অষ্ট্ৰেলিয়াৰ পাৰ্থত হ'বলগীয়া বিশ্ব পুলিচ এণ্ড ফায়াৰ গেমছত দেশক প্ৰতিনিধিত্ব কৰিবলৈ যোগ্যতা অৰ্জন কৰে।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰি  নিৰ্ধাৰিত ২০ অ'ভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৯২ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অংকৃশ ৰঘুবংশীয়ে ৭১ আৰু ৰিংকু সিঙে ৪৯ ৰান কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৯ অ'ভাৰ আৰু এটা বলত চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ বিৰাট কোহলিয়ে ৬০ টা বলত ১০৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। এয়া  আই পি এলৰ ইতিহাসত কোহলিৰ নৱমটো শতক।  ইয়াৰ সুবাদত কোহলিয়ে আই পি এলত সৰ্বাধিক শতক অৰ্জন কৰা খেলুৱৈ ৰূপে পৰিগণিত হয়। বিৰাট কোহলীক মেন অফ দা মেটচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ পাছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ পইণ্টেৰে গুজৰাটৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

000000

NEWS PAPER REVIEW

**ইন্ধন সংকটৰে মোকাবিলা কৰিবলৈ কেন্দ্ৰকে ধৰি অসমসহ বহু ৰাজ্যত চৰকাৰী বাহনৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে।           প্ৰধানমন্ত্ৰীৰ**

আহ্বানৰ প্ৰতি সমৰ্থন জনাই অসম চৰকাৰেও ইন্ধন ব্যয় সংকোচনৰ অৰ্থে এলানি সিদ্ধান্ত গ্ৰহণ কৰিছে। অনান্য কাকতসমূহৰ লগতে **দৈনিক অসম , অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, দি আচাম ট্ৰিবিউন** আদি কাকতত এই বাতৰিটোৱে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দখল কৰিছে। কেন্দ্ৰই সোণৰ আমদানি শুল্ক ৬শতাংশৰ পৰা ১৫ শতাংশলৈ বৃদ্ধি কৰাৰ পাছতেই দেশত সোণৰ মূল্য বৃদ্ধি পালে। বুধবাৰৰ মাজনিশাৰ পৰা দেশজুৰি সোণৰ নতুন দাম কাৰ্যকৰী হৈছে। আমাৰ অসম কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম ***'প্ৰধানমন্ত্ৰীৰ ব্যয় সংকোচন ঘোষণাৰ পাছতে সোণৰ দাম আকাশচুম্বী, ১১ট্ৰিলিয়ন টকা গাইব।'*** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন কেবিনেট বৈঠকতে নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষাৰ বাবে চৰকাৰে সংকল্প লৈছে। অহা ২৬মেত বিধানসভাত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তনৰ খচৰা প্ৰতিবেদন উত্থাপন কৰা হব। অনান্য কাকতসমূহৰ লগতে **দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি, অসমীয়া খবৰ** কাকতেও এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

মণিপুৰত কুকি জো সম্প্ৰদায়ৰ ৩গৰাকী খ্ৰীষ্টান যাজকক সন্ত্ৰীসবাদীয়ে গুলিয়াই হত্যা কৰা বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত **টাইমচ অব ইণ্ডিয়া** কাকতত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে ভুৱা পাছপৰ্টৰ অ ভিযোগ উত্থাপন কৰা পৱন খেৰাক কালি গুৱাহাটীত ক্ৰাইম ব্ৰাঞ্চেV জেৰা চলাই। জ্যেষ্ঠ কংগ্ৰেছ নেতাগৰাকীক কমেও ১০ঘন্টা সোধাপোচা কৰে অপৰাধ শাখাই। **দি চেন্টিনেল কাকতত** আলোকচিত্ৰসহ এই বাতৰিটো প্ৰকাশ কৰা হৈছে।

যোৰহাট জিলাৰ মৰিয়ণিত সেনাবাহিনীৰ ১৯ গৰাকী জোৱানে কালি যোৰহাট অগ্নি নিৰ্বাপন আৰু জৰুৰীকালীন সেৱা কেন্দ্ৰত বানৰ প্ৰস্তুতি আৰু আখৰামূলক অনুশীলন অনুষ্ঠিত কৰে। এছ ডি আৰ এফ আৰু অসামৰিক প্ৰতিৰক্ষা কৰ্মী সকলৰ তত্বাৱধানত আয়োজিত এই প্ৰশিক্ষণৰ দ্বাৰা বানৰ সময়ত সেনাবাহিনীক অধিক কাৰ্য্যক্ষণ কৰাৰ বাবে প্ৰস্তুত কৰা হয়। প্ৰশিক্ষণ কালত উদ্ধাৰ অভিযানত ব্যৱহৃত ৰৱৰৰ নাও আৰু অন্যান্য সজুলিৰ বিষয়ে জনোৱা হয়। ৰাজমাও পুখুৰীত নাও চলায় ব্যৱহাৰিক অনুশীলনো কৰা হয়। তদুপৰি বানত আৱদ্ধ লোকক উদ্ধাৰৰ বিষয়েও প্ৰশিক্ষণ গ্ৰহণকাৰী সকলক অৱগত কৰা হয়।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল, নাগালেণ্ড, ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০